समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

নৱম শ্ৰেণীৰ পাঠ্যপুথি

ভূগোল

পাঠ - ৩

ভাৰতবৰ্ষৰ ভূগোল

অংশ – ৭

শ্ৰাৱণী দেৱী



অনুশীলনী

১। ভাৰতবৰ্ষৰ ভৌগোলিক অৱস্থানৰ বিষয়ে লিখা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

অনুশীলনী

১। ভাৰতবৰ্ষৰ ভৌগোলিক অৱস্থানৰ বিষয়ে লিখা।

উত্তৰঃ- ভাৰতবৰ্ষ পৃথিৱীৰ উত্তৰ গোলার্ধত অৱস্থিত। এই দেশখন এছিয়া মহাদেশৰ অন্তর্গত। ভাৰতবৰ্ষ পৃথিৱীৰ বৃহৎ গণতান্ত্রিক ৰাষ্ট্র । ভাৰতবৰ্ষ ৮°৪′/২৮″ উত্তৰৰ পৰা ৩৭°১৭′/৫৩″ উত্তৰ অক্ষৰেখা আৰু ৬৮°৭′/৩৩″ পূবৰ পৰা ৯৭°২৪′/৪৭″ পূব দ্রাঘিমাৰেখাৰ মাজত অৱস্থিত ।


২৩°৩০´ উত্তৰ অক্ষৰেখা বা কর্কটক্রান্তি ৰেখাডাল ভাৰতৰ সোমাজেদি গৈছে । এই ৰেখাডাল ভাৰতক উত্তৰ আৰু দক্ষিণ দুটা সমান ভাগত ভাগ কৰিছে ।ইয়াৰে দক্ষিণ ভাগটো পূবে বঙ্গোপসাগৰ আৰু পশ্চিমে আৰৱ সাগৰৰ মাজত অৱস্থিত ।

আকাৰত ভাৰত পৃথিৱীৰ দেশ সমূহৰ ভিতৰত সপ্তম স্থানত আছে । এই দেশখন বৃটিছ যুক্তৰাষ্ট্রতকৈ ১৩ গুণ আৰু জাপানতকৈ ৯ গুণ ডাঙৰ । ভাৰতবর্ষৰ মুঠ মাটিকালি হৈছে ৩২,৮৭,২৬৩ বর্গ কিলোমিটাৰ । এই দেশে পৃথিৱীৰ মুঠ মাটিকালিৰ ২.৪ শতাংশ জুৰি আছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ইয়াৰ চাৰিসীমাটো হ'ল –
উত্তৰে –চীন, নেপাল আৰু ভূটান দেশ ।
দক্ষিণে – ভাৰত মহাসাগৰ আৰু শ্ৰীলংকা ।
পূবে – বঙ্গোপসাগৰ আৰু ম্যানমাৰ
পশ্চিমে – পাকিস্তান আৰু আৰৱ সাগৰ



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২। ভাৰতৰ উপকূল ৰেখাৰ মুঠ দৈর্ঘ্য কিমান?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২। ভাৰতৰ উপকূল ৰেখাৰ মুঠ দৈর্ঘ্য কিমান?

উত্তৰঃ- ভাৰতৰ উপকূল ৰেখাৰ মুঠ দৈর্ঘ্য হ'ল ৬,১০০ কিলোমিটাৰ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। ভাৰতৰ মুঠ স্থলসীমাৰ দৈর্ঘ্য কিমান?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। ভাৰতৰ মুঠ স্থলসীমাৰ দৈর্ঘ্য কিমান?

উত্তৰঃ- ভাৰতৰ মুঠ স্থলসীমাৰ দৈর্ঘ্য হ'ল ১৫,২০০ কিলোমিটাৰ।



৪। ভাৰতৰ ভূ-খণ্ড সম্পৰ্কে এটি চমুটোকা লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৪। ভাৰতৰ ভূ-খণ্ড সম্পৰ্কে এটি চমুটোকা লিখা।

উত্তৰঃ- এছিয়া পৃথিৱীৰ বৃহত্তম মহাদেশ । এই মহাদেশৰ দক্ষিণ অংশত ভাৰতবর্ষ অৱস্থিত । ভাৰতৰ উত্তৰা – দক্ষিণালৈ থকা ভূ – খণ্ড প্রায় ৩,২১৪ কি. মি. আৰু পুবা – পশ্চিমাকৈ প্রায় ২,৯৩৩ কিলোমিটাৰ বিস্তৃত । পূবে বঙ্গোপসাগৰ , পশ্চিমে আৰব সাগৰ আৰু দক্ষিণে ভাৰত মহাসাগৰৰ সৈতে ভাৰতীয় ভূ – ভাগে প্রায় ৬,১০০ কিলোমিটাৰ দৈর্ঘ্যৰ উপকূল সৃষ্টি কৰিছে ।

এই উপকূল অঞ্চলতে ভালেমান বন্দৰ গঢ়ি উঠিছে। ভাৰতৰ ভূ – খণ্ডই চুবুৰীয়া দেশসমূহৰ সৈতে স্থল – ভাগৰ সীমাৰেখাৰ সৃষ্টি কৰিছে। পশ্চিমে পাকিস্তান , উত্তৰে চীন , নেপাল আৰু ভূটান , পূবে চীন , দক্ষিণে – পূবত ম্যানমাৰ আৰু বাংলাদেশৰ লগত ভাৰতৰ মুঠ স্থলসীমাৰ দৈর্ঘ্য হৈছে ১৫,২০০ কিলোমিটাৰ।

৫। উত্তৰ ভাৰত আৰু দক্ষিণ ভাৰতৰ নদীসমূহৰ চাৰিটা মূল পার্থক্য লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৫। উত্তৰ ভাৰত আৰু দক্ষিণ ভাৰতৰ নদীসমূহৰ চাৰিটা মূল পার্থক্য লিখা।

উত্তৰঃ- উত্তৰ ভাৰতৰ আৰু দক্ষিণ ভাৰতৰ নদীসমূহৰ মাজত কিছুমান পার্থক্য দেখা যায় । তাৰে চাৰিটা পার্থক্য তলত উল্লেখ কৰা হ'ল –

(১) উত্তৰ ভাৰতৰ নদীবোৰ বৰফেৰে আবৃত ওখ পর্বতৰ পৰা ওলাই অহাৰ বাবে এইবিলাকত গোটেই বছৰজুৰি পানীৰ সোঁত থাকে ।

কিন্তু দক্ষিণ ভাৰতৰ নদীবোৰ তুলনামূলকভাৱে চাপৰ পর্বত অথবা মালভূমিৰ পৰা বৈ অহাৰ কাৰণে এইবিলাক নদী খৰালি কালত প্রায়েই শুকাই যায় ।

(২) উত্তৰ ভাৰতৰ নদীবিলাকৰ উচ্চগতি , মধ্যগতি আৰু নিম্নগতি – এই তিনিটা গতি কিন্তু দক্ষিণ ভাৰতৰ নদী বিলাকত এই গতি স্পষ্ট নহয় ।

(৩) উত্তৰ ভাৰতৰ নদীবোৰৰ উপত্যকা বহল আৰু ইহঁতৰ গতি ধীৰ । কিন্তু দক্ষিণ ভাৰতৰ নদীবোৰৰ উপত্যকা কিছু ঠেক আৰু সাধাৰণতে খৰস্ৰোতা ।

(৪) দক্ষিণ ভাৰতৰ নদীবোৰ বহু যুগৰ আগতে সৃষ্টি হৈছিল আৰু সেইবোৰ দাক্ষিণাত্য মালভূমিৰ কঠিন শিলাৰ মাজেৰে নির্দিষ্ট গতিপথেৰে বৈ আছে । আনহাতে উত্তৰ ভাৰতৰ নদীবোৰ সৃষ্টিৰ ফালৰ পৰা তুলনামূলকভাৱে নতুন আৰু এই নদীবোৰে সঘনে সুঁতি সলাই থাকে ।

৬। ভাৰতৰ ভূ-প্ৰাকৃতিক ভাগকেইটা কি কি?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৬। ভাৰতৰ ভূ-প্ৰাকৃতিক ভাগকেইটা কি কি?

উত্তৰঃ- ভাৰতৰ ভূ – প্ৰাকৃতিক ভাগকেইটা হ'ল ক্ৰমে –

(১) উত্তৰৰ হিমালয় পাৰ্বত্য অঞ্চল
(২) উত্তৰ ভাৰতৰ সামভূমি অঞ্চল
(৩) দাক্ষিণাত্য মালভূমি অঞ্চল আৰু
(৪) উপকূল অঞ্চল।

৭। উত্তৰ ভাৰতৰ হিমালয় পার্বত্য অঞ্চলৰ বৈশিষ্ট্য লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৭। উত্তৰ ভাৰতৰ হিমালয় পার্বত্য অঞ্চলৰ বৈশিষ্ট্য লিখা।

উত্তৰঃ- উত্তৰ ভাৰতৰ হিমালয় পার্বত্য অঞ্চলৰ বৈশিষ্ট্যসমূহ হ'ল – হিমালয় পৃথিৱীৰ সর্বোচ্চ পর্বত। এই পর্বতৰ বহুতো ঠাল – ঠেঙুন আছে। হিমালয় আৰু ইয়াৰ ঠাল – ঠেঙুলিবোৰ সামৰি একেলগে হিমালয় পর্বতমালা বুলি কোৱা হয়। এই পর্বতমালা ভাৰতৰ লগতে নেপাল, ভূটান আৰু চীন দেশলৈকে বিস্তৃত হৈ আছে।

ভাৰতৰ হিমালয় পার্বত্য অঞ্চলটো ভাৰতৰ উত্তৰ সীমাৰ লগত সংলগ্ন হৈ আছে । ই কাশ্মীৰৰ নঙ্গ পর্বতৰ পৰা অৰুণাচল প্রদেশৰ পূব সীমা পর্যন্ত পূৱা – পশ্চিমাকৈ বিস্তৃত হৈ আছে । এই অঞ্চল প্রায় ২,৫০০ কিলোমিটাৰ দীঘল আৰু প্রায় ২৪০ কিলোমিটাৰ পৰা ৫০০ কিলোমিটাৰ পর্যন্ত বহল । এই পার্বত্য অঞ্চলটোৰ মাটিকালি প্রায় ৫,০০,০০০ বর্গ কিলোমিটাৰ এই অঞ্চলৰ উচ্চতা সাগৰপৃষ্ঠৰ পৰা ৮,০০০ মিটাৰৰো অধিক ।

৮। উত্তৰ ভাৰতৰ সমভূমি অঞ্চলৰ বৈশিষ্ট্য লিখা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৮। উত্তৰ ভাৰতৰ সমভূমি অঞ্চলৰ বৈশিষ্ট্য লিখা।

উত্তৰঃ- উত্তৰৰ হিমালয় পার্বত্য অঞ্চল আৰু দক্ষিণৰ মালভূমি অঞ্চলৰ মাজৰ বিশাল সমভূমি অঞ্চলেই উত্তৰ ভাৰতত সমভূমি অঞ্চল । এই সমভূমি অঞ্চলটো পূবে অসমৰ পৰা পশ্চিমে পাকিস্তানৰ সীমালৈকে প্রায় ২ , ৪০০ কি . মি . বিস্তৃত। ইয়াক প্রধানকৈ -সিন্ধু-গঙ্গা-ব্রহ্মপুত্র সমভূমি বুলি জনা যায়।

সিন্ধু – গঙ্গা – সমভূমি অঞ্চলৰ প্রস্থ ২৪০ কিলোমিটাৰৰ পৰা ৩২০ কি.মি. পর্যন্ত হয় ।

কিন্তু ব্রহ্মপুত্র সমভূমি অঞ্চলৰ প্রস্থ গড়ে ৮০ কি.মি. হয়। উত্তৰ ভাৰতৰ এই সমভূমি অঞ্চলটোৰে মুঠতে প্রায় ৭,০০,০০০ বর্গ কি.মি. আগুৰি আছে।

বৈশিষ্ট্যসমূহ হ'ল –

(ক)পাঁচখন সৰু – বৰ সমভূমিৰ সমষ্টিয়েই হৈছে উত্তৰ ভাৰতৰ বিস্তৃত সমভূমি অঞ্চলটো । এই পাঁচখন সমভূমি হৈছে – পশ্চিম সমভূমি, পাঞ্জাব – হাৰিয়ানা সমভূমি , গংগা সমভূমি , উত্তৰ বংগ সমভূমি আৰু ব্রহ্মপুত্র সমভূমি ।

(খ) হিমালয় অঞ্চলৰ পৰা বৈ অহা তিনিখন প্রধান নদী সিন্ধু, গংগা আৰু ব্রহ্মপুত্র আৰু ইহঁতৰ অসংখ্য উপনৈয়ে উত্তৰ ভাৰতৰ সমভূমি অঞ্চলটো গঠন কৰিছে ।

সিন্ধু নদীৰ উপনৈ – শতদ্রু, বিপাশা আৰু ৰাবি নদীয়ে কঢ়িয়াই অনা পলসুৱা গেদ পঞ্জাব আৰু হাৰিয়ানাৰ পূব অংশত জমা হৈ সাৰুৱা সমতল ভূমি গঠিত হৈছে । এই সমভূমি দক্ষিণলৈ ঢাল খোৱা আৰু ইয়াৰ মাটি সাৰুৱা বাবে ইয়াত জনবসতি ঘন । এই সমভূমি অঞ্চলটোৱে ১.৭৫ লাখ বর্গ কি. মি. আগুৰি আছে ।

(গ) হিমালয়ৰ পৰা উৎপত্তি হোৱা গংগা নদী আৰু ইয়াৰ উপনৈসমূহে এক বৃহৎ সমভূমিৰ সৃষ্টি কৰিছে । গংগা নদী উচ্চ হিমালয়ৰ গঙ্গোত্রী নামৰ হিমবাহ বা বৰফৰ নৈৰ পৰা ওলাই আহিছে ।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা


Under CSR Support by
ipca | Foundation

(ঘ) হিমালয় পার্বত্য অঞ্চল এৰি গংগাই উত্তৰ প্রদেশ , বিহাৰ আৰু পশ্চিমবংগৰ সমভূমিয়েদি বৈ আহোঁতে যমুনা , গণ্ডক , সোণ , কুশী আদি উপনৈসমূহ ইয়াৰ লগ লাগিছে ।

গংগা আৰু ইয়াৰ অসংখ্য উপনৈয়ে হিমালয় অঞ্চলৰ পৰা কঢ়িয়াই অনা বালি-বোকা জমা কৰি গংগা সমভূমিৰ সৃষ্টি কৰিছে ।

এই সমভূমিতে মুঠ ৩,৫৭,০০০ বর্গ কি. মি. ঠাই আগুৰি আছে । সাৰুৱা মাটি আৰু সুচল যাতায়াতৰ ব্যৱস্থাৰ বাবে এই সমভূমি ঘন বসতিপূর্ণ আৰু কৃষিৰ ক্ষেত্রত আগবঢ়া ।

(ঙ) উত্তৰ ভাৰতৰ পলসুৱা সিন্ধু-গংগা ব্ৰহ্মপুত্ৰ সমভূমিৰ পশ্চিম অংশত ৰাজস্থানৰ শুকান সমভূমি অঞ্চলটো অৱস্থিত । এই অঞ্চলটো থৰ মৰুভূমিৰ অংশ । ইয়াৰ অধিকাংশ ঠাই শুকান আৰু বালিময় ।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৯। দাক্ষিণাত্য মালভূমি অঞ্চলৰ বৈশিষ্ট্য লিখা।



উত্তৰঃ- উত্তৰ ভাৰতৰ সমভূমি অঞ্চলব দক্ষিণে আছে দাক্ষিণাত্য মালভূমি।

- ই আকৃতিত ত্রিভুজ এটাৰ দৰে। এই মালভূমি অঞ্চলটো পুৰণি কঠিন শিলাৰে গঠিত।
- ইয়াৰ উত্তৰ মালৰা মালভূমি আৰু বিন্ধ্য পর্বত আৰু উত্তৰ-পূবৰ ছোটানাগপুৰ মালভূমিক সামৰি লৈ এই বিস্তৃত মালভূমি অঞ্চলটো গঠিত হৈছে।

- বিন্ধ্য, সাতপুৰা, মহাদেৱ আৰু মহাকাল পৰ্বতে এই সমগ্ৰ মালভূমি অঞ্চলটোক উত্তৰ আৰু দক্ষিণ এই দুটা অংশত ভাগ কৰিছে।
- ইয়াৰে উত্তৰ অংশটোৰ বিস্তৃতি কম আৰু ইয়াৰ ভিতৰত মালৱা মালভূমি আৰু ছোটানাগপুৰ মালভূমি অৱস্থিত। কিন্তু দক্ষিণৰ অংশটো যথেষ্ট ডাঙৰ। এই অংশটো সাতপুৰা, মহাদেৱ আৰু মহাকাল পৰ্বতৰ পৰা দক্ষিণলৈ কুমাৰিকা পৰ্যন্ত বিস্তৃত।
- দক্ষিণৰ এই মালভূমি অঞ্চলটোৰ পশ্চিম সীমাত আছে পশ্চিমঘাট পৰ্বতশ্ৰেণী আৰু পূব সীমাত আছে পূৰ্বঘাট পৰ্বতশ্ৰেণী।

- দাক্ষিণাত্য মালভূমি পশ্চিমঘাট পর্বতৰ ফালে ক্রমে ওখ আৰু পূর্বঘাট পর্বতৰফালে চাপৰ আৰু এঢলীয়া। এই ঢাল অনুসৰি দক্ষিণ ভাৰতৰ প্রায় আটাইবোৰ নদী পশ্চিমৰ পৰা পূবলৈ বৈ গৈ বংগোপসাগৰত পৰিছে। এই নদীবিলাকৰ ভিতৰত মহানদী, গোদাবৰী, কৃষ্ণা, পেনাৰ আৰু কাবেৰীয়েই প্রধান।
- বিন্ধ্য আৰু সাতপুৰা পর্বতৰ মাজৰ অঞ্চলটো পূবৰ পৰা পশ্চিমলৈ ঢাল খোৱা। সেয়েহে এই অঞ্চলৰ মাজেৰে নর্মদা আৰু তাপ্তী নামৰ দুখন প্রধান নদী পশ্চিমলৈ বৈ গৈছে আৰু দুয়োখন নদীয়েই কাম্বে উপসাগৰত পৰিছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১০। উপকূল অঞ্চলৰ বৈশিষ্ট্য উল্লেখ কৰা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

১০। উপকূল অঞ্চলৰ বৈশিষ্ট্য উল্লেখ কৰা।

উত্তৰঃ- উপকূল অঞ্চলৰ বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল –

ভাৰতৰ উপকূলীয় সমতল অঞ্চল দীঘল আৰু ঠেক। ইয়াক দুটা ভাগত ভাগ কৰিব পাৰি , পূব উপকূল আৰু পশ্চিম উপকূল। পূব উপকূল অঞ্চলটো বংগোপসাগৰ আৰু পূর্বঘাট পর্বতশ্রেণীৰ মাজত অৱস্থিত । ই দক্ষিণ ভাৰতৰ আটাইবিলাক প্রধান নদীয়ে সৃষ্টি কৰা সমভূমি আৰু ব-দ্বীপৰ দ্বাৰা গঠিত।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

সেয়েহে ই পশ্চিম উপকূলতকৈ বেছি বহল আৰু সাৰুৱা। এই উপকূলত চিলকা, কোলাৰ আৰু পলিকট নামে তিনিটা হ্রদ আছে। পূব উপকূলক দুটা ভাগত ভাগ কৰিব পাৰি । কৃষ্ণা নদীৰ মোহনাৰ পৰা গংঙ্গা নদীৰ মোহনালৈকে উত্তৰ সৰকাৰ উপকূল আৰু কৃষ্ণা মোহনাৰ পৰা কুমাৰিকালৈকে বিস্তৃত অংশটোক কৰমণ্ডল উপকূল নামে জনাজাত । পশ্চিম উপকূল অঞ্চলটো আৰৱ সাগৰ আৰু পশ্চিমঘাট পর্বতৰ মাজত অৱস্থিত। ই উত্তৰে কাম্বে উপসাগৰৰ পৰা দক্ষিণে কুমাৰিকালৈ বিস্তৃত।

এই উপকূল অঞ্চলটো দীঘল কিন্তু ঠেক। ইয়াৰ দৈর্ঘ্য প্রায় ১,৫০০ কিলোমিটাৰ আৰু প্রস্থ ১০ কিলোমিটাৰৰ পৰা ১৫ কিলোমিটাৰৰ ভিতৰত। পূব উপকূলৰ দৰে ইয়াৰ উত্তৰ আৰু দক্ষিণৰ অংশ দুটাৰ নামো বেলেগ বেলেগ। কাম্বে উপসাগৰ আৰু গোৱাৰ মাজত উত্তৰ অংশটোৰ নাম হৈছে 'কংকন উপকূল' আৰু গোৱাৰ পৰা কুমাৰিকালৈকে দক্ষিণৰ অংশটোৰ নাম হৈছে 'মালাৱাৰ উপকূল'।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১১। ভাৰতৰ জলবায়ুৰ বৈশিষ্ট্য লিখা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ভাৰতৰ জলবায়ু প্ৰধানকৈ দেশখনৰ বিশালতা , বিষুবৰ পৰা দূৰত্ব আৰু মৌচুমী বায়ুৰ ওপৰতেই জলবায়ুৰ ভিন্নতা নিৰ্ভৰ কৰে । ভাৰতৰ আঞ্চলভেদে থকা জলবায়ুৰ প্ৰধান উপাদান , যেনে – উত্তাপ , বায়ুৰ চাপ , বতাহ আৰু আৰ্দ্ৰতাৰ তাৰতম্য ঘটে । ভাৰতৰ জলবায়ুৰ প্ৰধান বৈশিষ্ট্য হ'ল –

(ক) অক্ষাংশভেদে ভাৰতৰ ঠাইসমূহৰ উত্তাপৰ তাৰতম্য ঘটাব বাবেই জলবায়ু বেলেগ বেলেগ হয় । ভাৰতৰ প্ৰায় সোঁমাজেদি যোৱা কৰ্কটক্ৰান্তীয়ে দেশখনক উত্তৰ আৰু দক্ষিণ দুটা অংশত ভগাইছে। উত্তৰ ভাৰতৰ তুলনাত দক্ষিণ ভাৰতত গৰম বেছি ।

(খ) ভাৰতৰ ভূ – খণ্ড পৰ্বত – পাহাৰ , মালাভূমি , মৰুভূমি , সমভূমি , আদি ভূ – প্ৰকৃতিৰে গঠিত । এনে ভূ – প্ৰকৃতিৰ বাবেই ঠাই বিলাকৰ মাজত উচ্চতাৰ পাৰ্থক্য আনিছে । ফলত জলবায়ু বেলেগ বেলেগ হয় । উদাহৰণস্বৰূপে –

(১) একে অক্ষাংশত অৱস্থিত হ'লেও উচ্চতাৰ পাৰ্থক্য বাবেই আগ্ৰা আৰু দাৰ্জিলিংৰ জলবায়ুৰ মাজত যথেষ্ট প্ৰভেদ দেখা যায় ।

(২) হিমালয় পৰ্বত মালাই উত্তৰ দিশৰ পৰা অহা চেঁচা বতাহক বাধা দিয়াৰ বাবে উত্তৰ ভাৰতৰ জলবায়ু সিমান শীতল নহয় ।

(৩) দক্ষিণ ভাৰত যদিও গ্ৰীষ্ম মণ্ডলত পৰিছে তথাপি ইয়াৰ জলবায়ু কিছু মৃদু ।

(৪) মুম্বাইৰ অৱস্থান সাগৰৰ পাৰত হোৱাৰ বাবেই ইয়াৰ জলবায়ু সমভাপন্ন ।



১২। ভাৰতত মৌচুমী বতাহৰ প্ৰভাৱ সম্পৰ্কে এটা টোকা লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ভাৰতৰ জলবায়ু মৌচুমী বতাহৰ দ্বাৰা প্রভাৱান্বিত । দেশখনত বছৰৰ ভিন ভিন ঋতুত বিশেষকৈ গ্রীষ্ম আৰু শীতকালত মৌচুমী বতাহ বলে । গ্রীষ্মকালত দক্ষিণ-পশ্চিম মৌচুমী বতাহ আৰু শীতকালত উত্তৰ-পূব মৌচুমী বতাহ প্রবাহিত হয় ।

দক্ষিণ-পশ্চিম মৌচুমী বতাহ আৰৱ সাগৰৰ ওপৰেদি প্রবাহিত হৈ ভাৰতত সোমায় । এই বতাহ দক্ষিণ-পশ্চিম দিশৰ পৰা অহাৰ বাবে ইয়াক দক্ষিণ -পশ্চিম মৌচুমী বতাহ বোলে । আৰৱ সাগৰৰ পৰা যথেষ্ট পৰিমাণে জলীয় ভাপ কঢ়িয়াই অনা এই বতাহে প্রথম পশ্চিম ঘাট পর্বতত বাধা পাই ই ওপৰলৈ উঠি শীতল হয় আৰু বৰষুণ দিয়ে ।

এইদৰে পশ্চিম উপকূল অঞ্চলৰ কংকন আৰু মালাৱাৰ উপকূলত বছৰি ৩০০ চেণ্টিমিটাৰতকৈ অধিক বৰষুণ হয়। এই বায়ুৰ এটা অংশ পশ্চিমঘাট পৰ্বত পৰা হৈ বঙ্গোপসাগৰৰ ফালে আগ বাঢ়ে। বঙ্গোপসাগৰৰ ওপৰেদি আনহাতে পুনৰ অধিক জলীয় ভাপ আহৰণ কৰি ই অসম তথ্য উত্তৰ – পূৰ্বাঞ্চলত প্ৰৱেশ কৰে। এই বতাহে মেঘালয় মালভূমিত বাধা প্ৰাপ্ত হৈ প্ৰচুৰ বৰষুণ দিয়ে। এনেকেয়ে মেঘালয়ৰ চেৰাপুঞ্জীত বছৰি প্ৰায় ১,২৫০ চেণ্টিমিটাৰ পৰ্যন্ত বৰষুণ হয়। এই দক্ষিণ – পশ্চিম মৌচুমীৰ প্ৰভাৱতে অসম আৰু হিমালয়ৰ নামনি অঞ্চলত যথেষ্ট বৰষুণ হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

আনহাতে উত্তৰ – পূব মৌচুমী বতাহ শীতকালত কালত বলে। এই বতাহ মধ্য এছিয়াৰ পৰা উত্তৰ – পূব দিশেৰে ভাৰতলৈ প্রভাৱিত হয় বাবে ইয়াক উত্তৰ – পূব মৌচুমী বতাহ বোলে। উত্তৰ হিমালয় পর্বতে এই চেঁচা বতাহ অহাত বাধা দিয়াৰ ফলত ভাৰতত প্রচণ্ড শীত অনুভৱ নহয়।
ইয়াৰে এটা অংশ অৱশ্যে হিমালয় অঞ্চল পাৰ হৈ ভাৰতত প্রৱেশ কৰে। স্থলভাগৰ পৰা অহা বাবে এই বতাহ শুকান সেয়েহে ইয়াৰ ফলত বৰষুণ নহয়। কিন্তু, এই বতাহ বঙ্গোপসাগৰৰ ওপৰেদি অগ্রসৰ হওঁতে ই কিছু জলীয়ভাপ আহৰণ কৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

জলীয়ভাপ যুক্ত এই বতাহ আহি যেতিয়া পূর্বঘাট পর্বতত ঠেকা খায় তেতিয়া ভাৰতৰ পূব উপকূলত বিশেষকৈ কৰমণ্ডল উপকূলত বৰষুণ হয়।

